**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-10-2023
**Time :** 19-10 Hrs.

## *Assamese Evening Bulletin*

::::::::::::::::::::::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, বিদ্যুৎ উৎপাদনৰ আত্মনিৰ্ভৰশীলতাৰ ওপৰত কোনো এখন ৰাষ্ট্ৰ অথবা ৰাজ্যৰ উন্নয়ন নিৰ্ভৰ কৰে।

২। প্ৰধানমন্ত্ৰীয়ে আজি ছত্তিশগড়ৰ জগ্‌দলপুৰত ২৬ হাজাৰ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে।

৩। বিজেপিয়ে পশ্চিমবংগত কেন্দ্ৰীয় পুঁজিৰ হৰলুকি হোৱা বুলি উঠা অভিযোগৰ চিবিআইৰ তদন্তৰ দাবী কৰিছে।

৪। পিয়েৰ এগোষ্টিনী, ফেৰেঙ্ক ক্ৰুজ আৰু এনী এল হুইলিয়ৰলৈ ২০২৩ বৰ্ষৰ পদাৰ্থ বিজ্ঞানৰ নবেল বঁটা আগবঢ়োৱা হৈছে।

*আৰু*

৫। ভাৰতে আজি এছিয়ান গেমছৰ দশম দিনা এটা সোণ, এটা ৰূপ আৰু ৩ টা ব্ৰঞ্জৰ পদক লাভ কৰে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিয়লি তেলেংগানাৰ মনোহৰাবাদ আৰু ছিড্ডিপেটৰ মাজৰ নতুন ৰে'লপথছোৱা ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰে। তেওঁ লগতে বৈদ্যুতিকীকৰণৰ কাম সম্পূৰ্ণ হৈ উঠা ধৰ্মাবাদ আৰু মনোহৰাবাদ ৰে'লপথছোৱাৰো শুভ উদ্বোধন কৰে। বৈদ্যুতিকীকৰণৰ কাম সম্পন্ন হোৱা তেলেংগানাৰ নিজামাবাদৰ পৰা অন্ধ্ৰপ্ৰদেশৰ মেহবুব নগৰ আৰু কৰনুল ৰে'লপথছোৱাও তেওঁ উদ্বোধন কৰে। শ্ৰী মোদীয়ে লগতে নিজামাবাদৰ পৰা ৮ হাজাৰ কোটি টকা ব্যয় সাপেক্ষ অন্য ভালেমান উন্নয়নমূলক প্ৰকল্পও ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰে। তেওঁ লগতে ৬ হাজাৰ কোটি টকা ব্যয়ৰে ৰামগুণ্ডমত নিৰ্মাণ কৰা ৰাষ্ট্ৰীয় তাপ বিদ্যুৎ নিগম এন টি পি চিৰ তেলেংগানা চুপাৰ তাপবিদ্যুৎ প্ৰকল্পৰ ৮০০ মেগাৱাট ক্ষমতা সম্পন্ন প্ৰথমটো গোট মুকলি কৰে। এই কেন্দ্ৰটোৰ জৰিয়তে উৎপাদিত মুঠ বিদ্যুতৰ ৮৫ শতাংশ কম খৰচত ৰাজ্যখনত ব্যৱহাৰ কৰা হ'ব। এই প্ৰকল্পই উত্তৰ আৰু দক্ষিণ গ্ৰীডৰ মাজৰ যোগাযোগ উন্নত কৰিব আৰু প্ৰত্যক্ষ তথা পৰোক্ষ কৰ্ম-সংস্থাপনৰ সুযোগ সৃষ্টি কৰিব। প্ৰধানমন্ত্ৰীয়ে লগতে ২০ খন জিলা সদৰত প্ৰধানমন্ত্ৰী আয়ুষ্মান ভাৰত স্বাস্থ্য আন্তঃগাঁথনি অভিযানৰ অধীনত ৫১৬ কোটি টকা ব্যয় সাপেক্ষ ৫০ খন বিছনাযুক্ত জটিল ৰোগৰ পৰিচৰ্যা খণ্ডৰ আধাৰশিলা স্থাপন কৰে। এই উপলক্ষে শ্ৰীমোদীয়ে কয় যে, পেদাপল্লীৰ নতুন বিদ্যুৎ প্ৰকল্পটো দেশৰ অত্যাধুনিক প্ৰকল্পসমূহৰ অন্যতম আৰু দ্বিতীয় পৰ্যায়ত শীঘ্ৰেই আৰু এটা বিদ্যুৎ উৎপাদন গোট স্থাপন কৰা হব।

তেওঁ কয় যে, যিকোনো জাতি বা ৰাজ্যৰ উন্নয়ন বিদ্যুৎ উৎপাদনৰ ক্ষমতাৰ ওপৰত নিৰ্ভৰশীল। প্ৰধানমন্ত্ৰীয়ে লগতে কয় যে, তেলেংগানাৰ শক্তিৰ প্ৰয়োজনীয়তা পূৰণৰ বাবে চৰকাৰে কাম কৰি আছে। আজিৰ

অনুষ্ঠানত তেলেংগানাৰ ৰাজ্যপাল তামিলিচাই চন্দৰাৰাজন আৰু কেন্দ্ৰীয় মন্ত্ৰী জি কিষাণ ৰেড্ডীৰ লগতে আন আন বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ছত্তিশগড়ৰ জনজাতীয় অধ্যুষিত বাষ্টাৰ সংমণ্ডলৰ মাণ্ডলিক মুখ্য কাৰ্যালয় জগ্‌ডলপুৰত ২৬ হাজাৰ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। প্ৰধানমন্ত্ৰীয়ে লগতে বাষ্টাৰৰ নাগৰনাৰত ৰাষ্ট্ৰীয় খনিজ উন্নয়ন নিগম চমুকৈ এন ডিম এম চিৰ তীখা প্ৰকল্প ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰে। প্ৰায় ২৪ হাজাৰ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰা এই সংহত তীখা প্ৰকল্পটোৱে উচ্চমানৰ তীখা উৎপাদন কৰিব। এই প্ৰকল্প আৰু ইয়াৰ আনুসংগিক উদ্যোগসমূহে হাজাৰ হাজাৰ লোকৰ বাবে কৰ্ম-সংস্থাপনৰ সুবিধা সৃষ্টি কৰিব। জগ্‌ডলপুৰ ভ্ৰমণৰ সময়ছোৱাত প্ৰধানমন্ত্ৰীয়ে জগ্‌ডলপুৰ ৰে'ল ষ্টেচনৰ উন্নীতকৰণৰ কামৰ আধাৰশিলা স্থাপন কৰাৰ লগতে আন্তাগড় আৰু তাৰকীৰ মাজত নতুন ৰে'ল লাইন তথা জগ্‌ডলপুৰ আৰু দান্তেৱাড়াৰ মাজত দ্বৈত ৰে'ললাইন প্ৰকল্পও ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰে। ইয়াৰ উপৰি প্ৰধানমন্ত্ৰীয়ে ৪৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ কুনকুৰি আৰু ছত্তিশগড় ঝাৰখণ্ডৰ সীমান্তৱৰ্তী এলেকা সংযোগী নতুন পথটো মুকলি কৰে।

এই উপলক্ষে প্ৰধানমন্ত্ৰীয়ে কয় যে, দেশৰ সম্পদৰাজিৰ ওপৰত প্ৰথম অধিকাৰ দুখীয়াৰ। তেওঁ কয় যে, চৰকাৰ জাতি অথবা শ্ৰেণী নিৰ্বেশেষে দুখীয়া জনসাধাৰণৰ কল্যাণৰ প্ৰতি প্ৰতিশ্ৰুতিবদ্ধ। শ্ৰীমোদীয়ে কয় যে, দুখীয়া জনসাধাৰণৰ কল্যাণ তেওঁৰ প্ৰথম অগ্ৰাধিকাৰ। কংগ্ৰেছে সদায় দেশক জাতিৰ ভিত্তিত বিভাজিত কৰাৰ কাম কৰা বুলি প্ৰধানমন্ত্ৰীয়ে অভিযোগ তোলে। শ্ৰীমোদীয়ে কয় যে বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে জনজাতীয় লোকৰ উন্নয়নৰ বাবে কংগ্ৰেছৰ তুলনাত ৫ গুণ অধিক পুঁজি আৱণ্টন কৰিছে। তেওঁ লগতে চত্তিশগড়ত কংগ্ৰেছৰ শাসনকালত ব্যাপক দুৰ্নীতি হোৱা বুলি অভিযোগ উত্থাপন কৰে।

০০০০

বিজেপিয়ে পশ্চিমবংগত কেন্দ্ৰীয় পুঁজিৰ হৰলুকি হোৱা বুলি উঠা অভিযোগৰ চিবিআইৰ তদন্তৰ দাবী কৰিছে। নতুন দিল্লীত আজি সংবাদ মাধ্যমৰ সৈতে হোৱা কথাবতৰাত দলৰ নেতা তথা বিধানসভাত বিৰোধী পক্ষৰ নেতা সুভেন্দু অধিকাৰীয়ে এই বুলি অভিযোগ তোলে যে, তৃণমূলৰ সৈতে সম্পৰ্ক থকা হাজাৰ হাজাৰ গাওঁ প্ৰধানে ৰাজ্য চৰকাৰৰ বিষয়াৰ সৈতে লগ লাগি মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিতকৰণ আইনৰ অধীনৰ কামত হোৱা কোটি কোটি টকাৰ দুৰ্নীতিত লিপ্ত হৈছে। তেওঁ কয় যে, পশ্চিমবংগ চৰকাৰ ৬ লাখ কোটি টকাৰ ধাৰত পোট গৈ আছে আৰু ৰাজ্যখনত ২ কোটিৰো অধিক কৰ্মসংস্থাপনহীন যুৱক-যুৱতী আছে। শ্ৰীঅধিকাৰীয়ে কয় যে, বিগত ১২ বছৰত কোনো নতুন উদ্যোগ, বিমান বন্দৰ, বন্দৰ, স্থাপন কৰা হোৱা নাই। পশ্চিমবংগত ব্যৱসায় অনুকূল বাতাৱৰণ নাই বুলিও তেওঁ উল্লেখ কৰে। এম জি এনৰেগাকে ধৰি একাংশ কেন্দ্ৰীয় আঁচনিৰ অধীনত ৰাজ্যখনলৈ পুঁজি যোগান বন্ধ কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ বিৰুদ্ধে ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীত তৃণমূল কংগ্ৰেছৰ নেতাই সাব্যস্ত কৰা প্ৰতিবাদ সন্দৰ্ভত শ্ৰীঅধিকাৰীয়ে কয় যে, তেওঁলোকে মিছা আৰু ভিত্তিহীন অভিযান চলাই আছে।

০০০০

কেন্দ্ৰীয় মন্ত্ৰী নিৰ্মলা সীতাৰমনে আজি কইম্বাটুৰ হিতাধিকাৰীৰ মাজত ৩ হাজাৰ ৫শ কোটি টকাৰ সাহায্য ধনৰাশি বিতৰণ কৰে। এই উপলক্ষে আয়োজিত এটা অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে কয় যে, অভিলাসী জিলাসমূহক সকলো ধৰণৰ চৰকাৰী সাহায্য প্ৰদানত অগ্ৰাধিকাৰ দিয়া হৈছে। এই অনুষ্ঠানত ক্ৰেডিট আউটৰীটছ্ কাৰ্যসূচীৰ অধীনত ঋণ বিতৰণ কৰা হয়। বিত্ত মন্ত্ৰীগৰাকীয়ে কয় যে চৰকাৰে গ্ৰামাঞ্চলৰ খেতিয়ক আৰু উদ্যমীসকলক ৰাজসাহায্য তথা ক্ষুদ্ৰ উদ্যমি আৰু ব্যৱসায়ীসকলক ঋণ সাহায্য প্ৰদান কৰি আছে আৰু এই বিষয়ে সজাগতাও সৃষ্টি কৰা হৈছে। শ্ৰীমতী সীতাৰমনে কয় যে ২৩ হাজাৰ ৮শ হিতাধিকাৰীক খুচুৰা ঋণ আৰু ২ হাজাৰ ৯০৪ গৰাকী নতুন হিতাধিকাৰীক মুদ্ৰা ঋণ প্ৰদান কৰা হৈছে। অনুসূচীত জাতি, অনুসূচীত জনজাতি তথা মহিলাসকলক ষ্টেণ্ড আপ ইণ্ডিয়া ঋণ প্ৰদান কৰা হৈছে বুলি তেওঁ জানিবলৈ দিয়ে। তেওঁ লগতে কিষাণ ক্ৰেডিট কাৰ্ড ধাৰকসকলেও চৰকাৰৰ পৰা ঋণ লাভৰ বাবে আবেদন কৰিব পাৰে বুলি প্ৰকাশ কৰে। তেওঁ কয় যে কইম্বাটুৰৰ আঢ়ৈ হাজাৰ আত্ম সহায়ক গোটক সাহায্য প্ৰদান কৰা হৈছে। এক লাখ একাউণ্টধাৰকে বিভিন্ন আঁচনিৰ অধীনত ঋণ লাভ কৰিব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। শ্ৰীমতী সীতাৰমনে কয় যে কৰ-উপকৰৰ জৰিয়তে সংগৃহীত ৰাজহ দেশৰ বহুমুখী সমবায় সমিতিসমূহক প্ৰদান কৰা হয় যাতে, জনসাধাৰণ উপকৃত হ'ব পাৰে। কৰ ৰাজহ ৰাজ্য চৰকাৰৰ সৈতে ভগাই লোৱা হয় বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। ইয়াৰ পূৰ্বে বিত্ত মন্ত্ৰীগৰাকীয়ে কইম্বাটুৰত ছিদবিৰ নতুন শাখা মুকলি কৰে আৰু স্বচ্চতা হী সেৱা কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

oooo

পিয়েৰ এগোষ্টিনী, ফেৰেঙ্ক ক্ৰুজ আৰু এনী এল হুইলিয়ৰলৈ ২০২৩ বৰ্ষৰ পদাৰ্থ বিজ্ঞানৰ নবেল বঁটা আগবঢ়োৱা হৈছে। পদাৰ্থৰ ইলেকট্ৰন গতিশীলতাৰ অধ্যয়নৰ বাবে পোহৰৰ এটোচেকেণ্ড পালছ্ উৎপন্ন কৰাৰ পৰীক্ষামূলক পদ্ধতিৰ আৱিস্কাৰৰ বাবে বিজ্ঞানী তিনিগৰাকীলৈ এই বঁটা আগবঢ়োৱা হৈছে। ৰয়েল ছুইডিছ অকাডেমী অৱ চায়েন্সেছে প্ৰকাশ কৰা মতে, বিজ্ঞানী তিনিগৰাকীক পৰীক্ষাই পৰমাণু আৰু অণুৰ ভিতৰভাগৰ ইলেকট্ৰনৰ জগতৰ অন্বেষণৰ বাবে মানৱ জাতিক নতুন আহিলা প্ৰদান কৰিছে আৰু ইয়াৰ স্বীকৃতিস্বৰূপে তেওঁলোকলৈ এই বঁটা প্ৰদান কৰা হৈছে। ইলেকট্ৰনে গতি কৰা অথবা শক্তিলৈ ৰূপান্তৰিত হোৱা ক্ষীপ্ৰ প্ৰক্ৰিয়া জোখাৰ বাবে এই আহিলা প্ৰয়োগ কৰিব পৰা যাব। আমেৰিকা যুক্তৰাষ্ট্ৰৰ পিয়েৰ এগোষ্টিনী, জাৰ্মানীৰ ফেৰেঙ্ক ক্ৰুজ আৰু চুইডেনৰ এনীএল হুইলিয়ৰে তেওঁলোকৰ সম্পৰীক্ষাৰ জৰিয়তে পোহৰৰ অতিকে ক্ষুদ্ৰ তৰংগ কিদৰে উৎপন্ন কৰিব পৰা যায় সেয়া আৱিস্কাৰ কৰিছে।

oooo

বিশ্ববেংকে ২০২৩-২৪ বিত্তীয় বৰ্ষৰ বাবে ভাৰতৰ বিকাশ হাৰ সম্পৰ্কে কৰা পূৰ্বানুমান ৬ দশমিক ৩ শতাংশত অপৰিৱৰ্তিত ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ভাৰতত বাহ্যিক প্ৰত্যাহ্বান সত্বেও শক্তিশালী অৰ্থনৈতিক বৃদ্ধি অব্যাহত থকালৈ চাই এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। বিশ্ববেংকে এপ্ৰিলত প্ৰকাশ কৰা প্ৰতিবেদনত ২০২৩-২৪ বৰ্ষত ভাৰতৰ বিকাশ হাৰ সম্পৰ্কীয় পূৰ্বানুমান পূৰ্বৰ ৬ দশমিক ৬ শতাংশৰ পৰা ৬ দশমিক ৩ শতাংশলৈ হ্ৰাস কৰিছিল। ভাৰতৰ বিকাশ সম্পৰ্কীয় বিশ্ববেংকৰ শেহতীয়া প্ৰতিবেদন অনুসৰি বৃহৎ গোলকীয় প্ৰত্যাহ্বান সত্বেও ভাৰত ২০২২-২৩ বৰ্ষত ৭ দশমিক ২ শতাংশৰ বিকাশ হাৰেৰে দ্ৰুত বিকাশশীল গুৰুত্বপূৰ্ণ অৰ্থব্যৱস্থাসমূহৰ অন্যতমৰূপে পৰিগণিত হৈছে।

০০০০

চীনৰ হাংচ'অ'ত অনুষ্ঠিত এছিয়ান গেমছত ভাৰতৰ পদক জয়ৰ ধাৰা অব্যাহত আছে। ভাৰতে আজি প্ৰতিযোগিতাৰ দশম দিনা এটা সোণ, এটা ৰূপ আৰু ৩ টা ব্ৰঞ্জৰ পদক লাভ কৰে। ইয়াৰে ভিতৰত ভাৰতৰ পাৰুল চৌধৰীয়ে মহিলাৰ ৫০০০ মিটাৰ দৌৰত সোণৰ পদক অৰ্জন কৰে। ইয়াৰ বিপৰীতে পুৰুষৰ ৮০০ মিটাৰ দৌৰত মহম্মদ আফজলে ৰূপৰ পদক আৰু মহিলাৰ ৪০০ মিটাৰ বাধাদৌৰত বিধ্যা ৰামৰাজে বঞ্জৰ পদক লাভ কৰে। একেদৰে মহিলাৰ বক্সিঙৰ ৫৪ কিলোগ্ৰাম ওজন শাখাৰ প্ৰীতি পাৱাৰে দেশৰ হ'কে ব্ৰঞ্জৰ পদক অৰ্জন কৰে। অৰ্জুন সিং আৰু সুনীল সিঙে পুৰুষৰ এহেজাৰ মিটাৰ ডিঙা চালনাৰ ডাবলছত আজি দেশৰ হ'কে তৃতীয়টো ব্ৰঞ্জৰ পদক হস্তগত কৰে। ইপিনে, লাভলীনা বৰগোহাঁয়ে বক্সিঙৰ মহিলাৰ ৭৫ কিলোগ্ৰাম ওজন শাখাৰ ফাইনেলত প্ৰৱেশ কৰিছে। লাভলীনাই আজি ছেমিফাইনেলত থাইলেণ্ডৰ বেইছন মানিকনক ৫-০ ফলাফলত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰে। এই জয়ৰ সুবাদত লাভলীনাই পেৰিছ অলিম্পিকলৈ যোগ্যতাও অৰ্জন কৰে। একেলদেৰ আৰ্চাৰীত ভাৰতৰ জ্যোতি সুৰেখা ৱেন্নমে অদিতি গোপীচান্দক ১৪৫-১৪৯ ফলাফলত পৰাভূত কৰি ফাইনেলত স্থান নিশ্চিত কৰিছে। অদিতি গোপীচান্দ এতিয়া ব্ৰঞ্জৰ পদকৰ খেলত অৱতীৰ্ণ হ'ব। ভাৰতৰ অভিযেক বাৰ্মায়ো কোৰিয়াৰ প্ৰতিদ্বন্দ্বীক ১৪৭-১৪৫ ফলাফলত পৰাস্ত কৰি পুৰুষৰ কম্পাউণ্ড শিতানৰ ব্যক্তিগত শাখাৰ ফাইনেলত প্ৰৱেশ কৰিছে। এই শিতানৰ ফাইলেত অভিযেক সতীৰ্থ খেলুৱৈ অ'জাছ প্ৰবীণ দেওতোলেৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ইয়াৰ ফলত এই শিতানত ভাৰতে সোণ আৰু ৰূপৰ পদক পোৱাটো নিশ্চিত হৈছে।

আনহাতে, স্কোৱাছৰ মিক্সড ডাবলছত ভাৰতৰ দীপিকা পল্লিকল আৰু হৰিন্দৰ পাল সিঙ সান্ধুৰ যুটিটোৱে পুল 'এ'ৰ এখন খেলত জাপানৰ বিৰুদ্ধে জয়লাভ কৰাৰ বিপৰীতে অনাহাত সিং আৰু অভয় সিঙে দক্ষিণ কোৰিয়াৰ প্ৰতিদ্বন্দিৰ বিৰুদ্ধে জয়ী হৈছে।

ভাৰতে এইবাৰৰ এছিয়ান গেমছত বৰ্তমানলৈকে ১৪টা সোণ, ২৫টা ৰূপ আৰু ২৬টা ব্ৰঞ্জসহ মুঠ ৬৫ টা পদক লাভ কৰিছে। ভাৰত সম্প্ৰতি প্ৰতিযোগিতাৰ পদক তালিকাত চতুৰ্থ স্থানত আছে।

০০০০

সমাপ্ত